অসম আদিত্য

ভাদ, ১৯৪৮ শক ■ বুধবাৰ, ৯ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Wednesday, September 9, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

কাঁনৈ মহাবিদ্যালয়ত ভূপেনদাৰ জন্ম জয়ন্তী পালন

ষ্টাফ ৰিপ'ৰ্টাৰ, ৮ ছেপ্টেম্বৰ ঃ মানুহৰ মন পৰিৱৰ্তন কৰিবৰ বাবে সংগীতেই হৈছে উৎকৃষ্টতম সম্পদ। সংগীতে মানুহৰ হৃদয় স্পৰ্শ কৰাৰ লগতে মানুহৰ চিন্তা-চেতনাতো পৰিৱৰ্তন আনিব পাৰে। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ সৃষ্টিৰাজি অসমীয়া জাতিৰ আত্মপৰিচয়ৰ এক অমূল্য সম্পদ। ডিএইচএছ কাঁনৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ পৰিৱেশ্য কলা বিভাগ আৰু ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত আজি সন্ধিয়া মহাবিদ্যালয় প্ৰাংগনত অনুষ্ঠিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শতবৰ্ষ উদ্‌যাপন অনুষ্ঠানত ড০ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে মহান শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষ ড০ শইকীয়াই কয়— ড০ ভূপেন হাজৰিকা কেৱল এগৰাকী সংগীতজ্ঞ, গীতিকাৰ, সুৰকাৰ বা শিল্পী নাছিল, তেওঁ আছিল অসমৰ সমাজ-জীৱন, সংস্কৃতি আৰু মানৱীয় চেতনাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা এগৰাকী যুগদ্ৰষ্টা। তেওঁৰ কণ্ঠত অসমৰ মাটি, মানুহ, প্ৰকৃতি, দুখ-বেদনা, আশা-আকাংক্ষা আৰু মানৱতাৰ সুৰ একেলগে প্ৰতিধ্বনিত হৈছিল। তেওঁ কয়— ড০ ভূপেন হাজৰিকাৰ মনটো, হৃদয়খন আৰু অন্তৰখন আছিলে সমগ্ৰ মানৱ সমাজৰ কাৰণে। সমগ্ৰ বিশ্বৰ মানৱ সমাজক তেওঁ একতাৰ দোলেৰে বান্ধিবৰ কাৰণে চেষ্টা কৰিছিল। ড০ শইকীয়াই কয়— ড০ ভূপেন হাজৰিকাৰ এনে এটা গীত নাছিল, যি গীতৰ মাজত অসমীয়া ভাষা, সংস্কৃতি, মানুহৰ মানৱতা, বিশ্ববন্দিত ৰূপটো প্ৰকাশ পোৱা নাছিল। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ আকাশ কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষগৰাকীয়ে কয়— ড০ ভূপেন হাজৰিকাৰ গীত আৰু সৃষ্টিৰাজিয়ে মানুহক কেৱল মনোৰঞ্জন দিয়া নাছিল, বৰঞ্চ সমাজৰ প্ৰতি দায়বদ্ধতা, মানৱীয় মূল্যবোধ, সাম্য, সম্প্ৰীতি আৰু ঐক্যৰ বাৰ্তা প্ৰদান কৰিছিল। তেওঁৰ সৃষ্টিত জাতি-ধৰ্ম-বৰ্ণৰ সীমাৰেখা অতিক্ৰম কৰি সমগ্ৰ মানৱ সমাজক একতাৰ এনাজৰীৰে বান্ধি ৰখাৰ এক গভীৰ আহ্বান নিহিত হৈ আছে। অধ্যক্ষগৰাকীয়ে কয়— ড০ ভূপেন হাজৰিকাৰ গীতৰ সুৰত অসমৰ নদী-বন-পাহাৰ, কৃষক-শ্ৰমিকৰ জীৱন আৰু সাধাৰণ মানুহৰ সুখ-দুখৰ প্ৰতিচ্ছবি জীৱন্ত হৈ উঠিছিল। তেওঁৰ সৃষ্টিৰাজিয়ে অসমীয়া ভাষা আৰু সংস্কৃতিক ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো এক সুকীয়া পৰিচয় প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ড০ শইকীয়াই নতুন প্ৰজন্মক ড০ ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰাজিৰ পৰা অনুপ্ৰেৰণা গ্ৰহণ কৰিবলৈ আহ্বান জনাই কয় যে, তেওঁৰ গীতসমূহ কেৱল শুনাৰ বাবে নহয়, সেইবোৰৰ অন্তৰ্নিহিত মানৱীয় বাণী উপলব্ধি কৰি জীৱনত প্ৰয়োগ কৰাটোহে হ'ব মহান শিল্পীগৰাকীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি। বৰ্তমান সময়ত সমাজত বৃদ্ধি পোৱা বিভাজন, অসহিষ্ণুতা আৰু আত্মকেন্দ্ৰিকতাৰ পৰিপ্ৰেক্ষিতত সুধাকণ্ঠ ড০ হাজৰিকাৰ মানৱতাবাদী দৰ্শন আৰু অধিক প্ৰাসংগিক হৈ পৰিছে বুলি উল্লেখ কৰি তেওঁ কয়— ড০ ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিৰ

সংৰক্ষণ, অধ্যয়ন আৰু চৰ্চাৰ জৰিয়তে ভৱিষ্যৎ প্ৰজন্মক অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ সৈতে পৰিচিত কৰাটো সকলোৰে দায়িত্ব। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ মধুমিতা পুৰকায়স্থ আৰু পৰিৱেশ্য কলা বিভাগৰ অধ্যাপক মৃগাংক নাথে ড০ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি মহান শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। তেওঁলোকে নিজ নিজ বক্তব্যত ড০ হাজৰিকাৰ অনন্য সাংস্কৃতিক অৱদান, মানৱতাবাদী দৃষ্টিভংগী আৰু অসমীয়া সমাজ-সংস্কৃতিলৈ আগবঢ়োৱা অমূল্য অৱদানৰ কথা স্মৰণ কৰে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ কালজয়ী গীত, কবিতা আৰু তেওঁৰ গীতত পৰিৱেশন কৰা নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।